# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-NOV-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আজি মহিলা উদ্যমিতা পুঁজিৰ চেক বিতৰণ।

২। ৰাজ্যৰ শিক্ষা বিভাগত ৮ হাজাৰ ২০৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান।

৩। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত আজি এজনীয়া ন্যায়িক আয়োগৰ ওচৰত বিধায়ক অখিল গগৈ আৰু আছাম পাব্লিক ৱৰ্কছ্‌ৰ সভাপতি অভিজিত শৰ্মাৰ ভাষ্য প্ৰদান।

৪। আফ্ৰিকান ছোৱাইন ফিভাৰৰ বৰ্ধিত সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত গাহৰি পালকসকলক ক্ষতিপূৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৪ কোটি টকাৰ অনুদান বিচাৰি ৰাজ্য চৰকাৰৰ আবেদন। *আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত আৰম্ভ।

০০০০০

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ৰাজ্য চৰকাৰে বিগত ৪ বছৰত মহিলাসকলক বিভিন্ন দিশত আগবঢ়াই নি সবলীকৰণৰ বাবে নিৰন্তৰ কাম কৰিছে। বৰ্তমানৰ অসম চৰকাৰে গ্ৰহণ কৰা বহু আঁচনি দেশৰ আন আন ৰাজ্যসমূহেও অনুকৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। চত্তিশগড়, ঝাৰখণ্ড, পশ্চিমবংগ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, হাৰিয়ানা আৰু দিল্লী চৰকাৰে অৰুণোদয় আঁচনিৰ অনুৰূপ কাৰ্যসূচী নিজ নিজ ৰাজ্যত প্ৰৱৰ্তন কৰাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ইয়ে মহিলা সবলীকৰণৰ দিশত অসম দেশৰ আদৰ্শ ৰাজ্যলৈ পৰিগণিত হোৱাতোকে প্ৰমাণ কৰে। আজিৰ অনুষ্ঠানত শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, প্ৰমোদ বৰঠাকুৰ, দিগন্ত ঘাটোৱালকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি শিক্ষা বিভাগত ৮ হাজাৰ ২০৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে। উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৬৩ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ১১০ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮

গৰাকী প্ৰবক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ড০ শৰ্মাই বিভিন্ন বিভাগত নিযুক্তি সন্দৰ্ভত এইদৰে কয়–

**বাইট (চি এম)**

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত আজি সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগৰ ওচৰত বিধায়ক অখিল গগৈ আৰু আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিত শৰ্মাই শপতনামাৰ জৰিয়তে ভাষ্য প্ৰদান কৰে। আয়োগক তথ্য দাখিলৰ পাছত বিধায়ক অখিল গগৈয়ে আয়োগৰ ওচৰত যাৱতীয় তথ্য দাখিল কৰা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। তেওঁ এই তদন্ত প্ৰক্ৰিয়াক লৈ অসন্তুষ্টি ব্যক্ত কৰে। আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিত শৰ্মাই এই ভাষ্য প্ৰদানৰ পাছত কয় যে ছিংগাপুৰত জুবিন গাৰ্গৰ বিয়োগৰ পাছতো নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অনুষ্ঠান চলি থকাৰ তথ্য আয়োগক দাখিল কৰা হৈছে। তদুপৰি ছিংগাপুৰৰ জাহাজত থকা ১৮জন লোকৰ ভিতৰত কেৱল চাৰিজনকহে কিয় গ্ৰেপ্তাৰ কৰা হৈছে সেই বিষয়টো আয়োগক দৃষ্টিগোচৰ কৰা বুলি শ্ৰীশৰ্মাই মন্তব্য কৰে।

**বাইট**

সংগীত শিল্পী মানস ৰবীনেও আজি আয়োগৰ ওচৰত সাক্ষ্য প্ৰদান কৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গঠন কৰা ন্যায়িক আয়োগে ৩ নৱেম্বৰৰ পৰা সাক্ষ্য গ্ৰহণ কৰি আহিছে। ২১ নৱেম্বৰলৈ চলিবলগীয়া এই প্ৰক্ৰিয়াত এতিয়ালৈ কেইবাজনো লোকে আয়োগক সাক্ষ্য প্ৰদান কৰিছে।

০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীতেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে ৰাজ্যখনৰ প্ৰায় ৩০০ শিল্পী অহা ১৯ নৱেম্বৰৰ সন্ধিয়া গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত সমবেত হ'ব। সন্ধিয়া ৫ বজাৰ পৰা হ'বলগীয়া এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ২০০তকৈ অধিক কণ্ঠশিল্পী আৰু ৭০গৰাকীৰো অধিক বাদ্যযন্ত্ৰীয়ে ৮গৰাকী সংগীত পৰিচালকৰ তত্বাৱধানত জুবিন গাৰ্গৰ দুকুৰি গীত পৰিৱেশন কৰিব। দৰ্শকসকলে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ক্ষতিগ্ৰস্ত গাহৰি পালক সকলক ক্ষতিপূৰণ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৪ কোটি টকাৰ অনুদান বিচাৰিছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ এটা দলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে এই জিলাসমূহত ছোৱাইন ফিভাৰৰ ফলত ৬ হাজাৰৰো অধিক গাহৰিৰ মৃত্যু হৈছে। চলিত বৰ্ষৰ আৰম্ভণিতে গাহৰি পালকসকলক অসুস্থ পশুধন আঁতৰ কৰাৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা হৈছিল, যদিও বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ বাবে প্ৰায় ১৪ কোটি টকাৰ প্ৰয়োজন হ'ব বুলি পশুপালন আৰু পশু চিকিৎসা বিভাগে প্ৰকাশ কৰিছে।

ইপিনে আমাৰ বজালী জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ মুগুৰীয়া, মাজিওপাৰা, পাঠশালা, গোবিন্দপুৰ, জালিখাটা আদি অঞ্চলৰ বহু সংখ্যক গাহৰি আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণত মৃত্যু হৈছে। বজালীৰ পশুপালন বিভাগে বটিয়া, ৰূপদিগা, ৰামৰূপ, গেৰুৱাপাৰা আদি অঞ্চলৰ দুই শতাধিক গাহৰিৰ দেহত এই ৰোগৰ সংক্ৰমণ ধৰা পেলোৱাৰ পাছত আটাইবোৰ গাহৰি নিধন কৰিছে বুলি জনাইছে।

○○○○○

অসম গণ পৰিষদ দলে আজি শিৱসাগৰত সদৌ টাই আহোম ছাত্ৰ সন্থা আৰু টাই আহোম যুৱ পৰিষদৰ নেতৃত্বৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মূলতঃ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত অসম গণ পৰিষদৰ হৈ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, ফণীভূষণ চৌধুৰী, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, প্ৰদীপ হাজৰিকা, ভৰেন ভৰালী, পৃথ্বীৰাজ ৰাভা আৰু পোনাকন বৰুৱাই অংশগ্ৰহণ কৰে। সদৌ টাই আহোম ছাত্ৰ সন্থা আৰু টাই আহোম যুৱ পৰিষদৰ হৈ বসন্ত গগৈ আৰু দিগন্ত তামুলী উপস্থিত থাকে। অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা তথা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোত তেওঁলোকৰ দলৰ সদায়েই সমৰ্থন আছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ লগতে এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে ইতিবাচক ইংগিত দিছে বুলিও উল্লেখ কৰে।

**বাইট**

○○○○○

দিল্লী বোমা বিস্ফোৰণ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত ৰাজ্যত বৰ্তমানলৈকে ১৫জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে যোৱা নিশা এই ঘটনা সংক্ৰান্তত ৯জন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ইয়াৰ পূৰ্বে আপত্তিজনক মন্তব্য পোষ্ট কৰাৰ অভিযোগত ছজন লোকক গ্ৰেপ্তাৰ কৰিছিল। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে সন্ত্ৰাসবাদী কাৰ্যকলাপত সমৰ্থন কৰা নাইবা হিংসাক প্ৰশ্ৰয় দিয়াসকলৰ বিৰুদ্ধে অসম আৰক্ষীয়ে আপোচবিহীন স্থিতি গ্ৰহণ কৰিব।

হাইলাকান্দিত আজি সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰে। লোকজন ফৰিদউদ্দিন লস্কৰ বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আমাৰ বৰপেটাৰ সংবাদদাতাই জনোৱা মতে এনে ধৰণৰ আপত্তিজনক মন্তব্যৰ অভিযোগত বৰপেটা ৰোড আৰক্ষীয়ে ৰকিবুল চুলতান নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে।

দিল্লীৰ বিস্ফোৰণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈ উঠিছে। এই অনুসৰি কেন্দ্ৰীয় চৰকাৰে ধুবুৰী জিলাৰ বামুণীত এটা নতুন সামৰিক ঘাটি স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। লাচিত বৰফুকনৰ নামেৰে নামকৰণ কৰিবলগীয়া সামৰিক ঘাটিটোৰ পৰা সীমান্তৰ প্ৰতিৰক্ষাৰ প্ৰতিটো দিশ চোৱাচিতা কৰা হ'ব।

○○○○○

মৰিগাঁও জিলা কৃষি বিভাগৰ দ্বাৰা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনৰ আঁচনিসমূহ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনাৰ বাবে আজি অসম কৃষি সঞ্চালকালয়ৰ এটা জিলা পৰ্যায়ৰ দলে আজি মৰিগাঁও জিলা পৰিদৰ্শন কৰে। নিৰীক্ষণকাৰী দলটোৰ নডেল বিষয়া দুগৰাকীয়ে জিলা কৃষি বিষয়াৰ উপস্থিতিত এটা মত বিনিময় অনুষ্ঠানত মিলিত হয়। কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থকা এই অনুষ্ঠানত বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ খতিয়ান, সফল ৰূপায়ণ, আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু ইয়াৰ সমাধান সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি কৃষি সঁজুলি, কৃষি যান্ত্ৰিকীকৰণ, ভূমি স্বাস্থ্য প্ৰমাণ পত্ৰ, সাৰ আৰু কীটনাশকৰ মজুত, বিক্ৰী আদি সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকত কৃষকসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়েও আলোচনা কৰা হয়।

○○○○○

গুৱাহাটীৰ সমীপৱৰ্ত্তী সোণাপুৰত নিৰ্মীয়মান দেশৰ চতুৰ্থখন অত্যাধুনিক বিজ্ঞান নগৰী প্ৰকল্প শীঘ্ৰেই সম্পূৰ্ণ হৈ উঠিব। আজি বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই এই প্ৰকল্পস্থলীত বিজ্ঞান সংগ্ৰাহালয় আৰু বিজ্ঞান দৰ্শনশালাৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয়। তেওঁ বিজ্ঞান নগৰী প্ৰকল্প, ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদ প্ৰকল্প নিৰ্মাণ কাৰ্যৰ বিভিন্ন দিশ তদাৰকৰ দায়িত্বত থকা সংশ্লিষ্ট বিভাগ আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানসমূহৰ সৈতে পৰ্যালোচনা

বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ বিজ্ঞান সংগ্ৰহালয় আঁচনিৰ অধীনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ পুঁজিৰে ৰাষ্ট্ৰীয় স্তৰৰ অত্যাধুনিক বিজ্ঞান সংগ্ৰহালয় হিচাপে এই বিজ্ঞান নগৰী প্ৰকল্প নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। আজি পৰিদৰ্শন তথা পৰ্যালোচনা বৈঠকত এই প্ৰকল্পৰ মুখ্য কাৰ্যবাহী বিষয়া তথা অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদ, এষ্টেকৰ সঞ্চালক জয়দীপ বৰুৱা, ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ প্ৰতিনিধি তথা ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ গুৱাহাটীৰ সঞ্চালক সুজয় মজুমদাৰৰ উপৰি কাৰ্যবাহী অভিযন্তা আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ সদস্যসকল উপস্থিত থাকে।

০০০০০

লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপনৰ সৈতে সংগতি ৰাখি আজিও বিভিন্ন জিলাত একতাৰ পদযাত্ৰা কৰা হয়। **ডিমা হাছাও জিলাৰ** হাফলঙত আজি লৌহ মানৱগৰাকীৰ জীৱন আৰু আদৰ্শৰ সোঁৱৰণেৰে এই একতাৰ পদযাত্ৰা কৰা হয়। এই কাৰ্যসূচীত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ মোহিত হোজাই, ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদযাপনৰ অংশ হিচাপে গছপুল ৰোপণ, নিচামুক্ত ডিমা হাছাওৰ শপত গ্ৰহণকে ধৰি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। সমাজৰ বিভিন্ন স্তৰৰ লোকে এই একতাৰ পদযাত্ৰাত অংশগ্ৰহণ কৰে। **কাছাৰ জিলা**তো আজি লৌহ মানৱগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তীৰ অংশ হিচাপে একতাৰ পদযাত্ৰা অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত এই পদযাত্ৰাত সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক নিহাৰ ৰঞ্জন দাস, বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, চৰকাৰী কৰ্মচাৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত চৰ্দাৰ পেটেলৰ অৱদানক সুঁৱৰি শ্ৰদ্ধা জনোৱাৰ লগতে নৱপ্ৰজন্মৰ মাজত ঐক্য, দেশপ্ৰেম আৰু দায়বদ্ধতাৰ প্ৰমূল্যসমূহ জাগ্ৰত কৰাৰ প্ৰয়াস কৰা হয়।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব। খেলখন পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। শৃংখলাটোত দুয়োটা দলৰ মাজত দুখন খেল অনুষ্ঠিত হ'ব। এই শৃংখলাটো বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ চলিত ছিজনৰ বাবেও গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল অহা ২২ৰ পৰা ২৬ নৱেম্বৰলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ইপিনে, ভাৰত-এ আৰু দক্ষিণ আফ্ৰিকা-এ দলৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি দক্ষিণ আফ্ৰিকাই ভাৰতক জয়ৰ বাবে ২৮৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

ওদালগুৰি জিলাৰ টংলা নিবাসী উদীয়মান চিত্ৰশিল্পী, তবলা বাদক যুগল কিশোৰ চলিহাৰ আজি বিয়লি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৩৬ বছৰ। শিল্পী সমাজ টংলাৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সম্পাদক জ্ঞানেন্দ্ৰ কুমাৰ চলিহা আৰু ডেইজী চলিহাৰ পুত্ৰ যুগল কিশোৰ চলিহাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত